**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-JULY-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

---

## HEADLINES

°°°°°°°°°°°°°°°°°°

১। অসমৰ বান পৰিস্থিতি এতিয়াও শোচনীয়। বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ৬১ লৈ বৃদ্ধি।

২। চৰাইদেউৰ ১০০ শতাংশ স্থানত সাহায্য সামগ্ৰী প্ৰদান কৰা হৈছে যদিও নাজিৰা আৰু শিৱসাগৰৰ ভালেসংখ্যক লোকৰ সৈতে যোগাযোগ কৰিব পৰা হোৱা নাই বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। কেন্দ্ৰীয় চৰকাৰ অসমৰ বান প্ৰভাৱিত লোকসকলৰ কাষত থিয় দিবলৈ প্ৰতিশ্ৰুতিবদ্ধ বুলি মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ মন্তব্য।

৪। প্ৰশ্নকাকত ফাদিলৰ দৰে ঘটনা ৰোধ আৰু দোষীসকলক কঠোৰ শাস্তি বিহাৰ উদ্দেশ্যে অহা সপ্তাহত সংসদত এখন নতুন বিধেয়ক উত্থাপন কৰা হ'ব বুলি প্ৰধানমন্ত্ৰীৰ ঘোষণা।

*আৰু*

৫। হাৰাৰেত আজি ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ তিনিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল।

oooooo

অসমৰ বান পৰিস্থিতি এতিয়াও শোচনীয় হৈ আছে। বানৰ কবলত পৰা জিলাকেইখনৰ কোনো কোনো অঞ্চলত পানী কমিবলৈ লৈছে যদিও ১২ খন জিলাৰ ৮৫৬ খন গাঁও বানত বুৰ গৈ আছে। বানৰ ফলত উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত সৰ্বাধিক ক্ষতি হৈছে। এইবাৰৰ বানত ৭ লাখ ৫১ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। বানৰ ফলত কালি আৰু ১৪ জন লোকে প্ৰাণ হেৰুৱায়। ইয়াৰে ভিতৰত শিৱসাগৰত ছজন, চৰাইদেউত ৭ জন আৰু যোৰহাটত এজন লোকৰ মৃত্যু হয়। ইয়াকে লৈ ৰাজ্যত এইবাৰৰ বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ৬১ হৈছেগৈ।

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰ অনুসৰি সাম্প্ৰতিক বানত ৫৬ হাজাৰ ৬০৬ হেক্টৰৰো অধিক কৃষিভূমি প্লাবিত হৈছে। বানপীড়িতসকলৰ বাবে স্থাপন কৰা আশ্ৰয় শিবিৰসমূহত ১ লাখ ১৫ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে।

উজনি অসমৰ মাজেৰে বৈ যোৱা দিখৌ, দিচাং আৰু ধনশিৰিকে ধৰি গুৰুত্বপূৰ্ণ নৈসমূহ বিপদসীমাৰ ওপৰেদি বৈ আছে। ইয়াৰ ফলত বান পৰিস্থিতিৰ অধিক অৱনতি ঘটিছে।

নীপকোৰ দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ জলধাৰৰ পানী ক্ৰমাৎ বৃদ্ধি পোৱাৰ বাবে প্ৰকল্পটোৰ চাৰিখন স্পীলৱে গে'ট খুলি দিবলগীয়া হৈছে। বৰ্তমান এই গে'টেৰে প্ৰতি ছেকেণ্ডত প্ৰায় ২ লাখ ১১ হাজাৰ লিটাৰ পানী এৰি দিয়া হৈছে। পানী এৰি দিয়াৰ ফলত গোলাঘাট আৰু বোকাখাত মহকুমাৰ কেইবাখনো নদীৰ জলস্তৰ বৃদ্ধি পাইছে। জিলা প্ৰশাসনে প্ৰকল্পটোৰ নামনি অঞ্চলত বানৰ আশংকা কৰি নদী কাষৰীয়া অঞ্চলৰ লোকসকলক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। এই সন্দৰ্ভত আমাক জনাইছে গোলাঘাট জিলাৰ সংবাদদাতা হিৰণ্য গগৈয়ে –

ভইচকাষ্ট

বান প্ৰভাৱিত অঞ্চলসমূহত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে। দুৰ্যোগ সঁহাৰি বাহিনী, জিলা প্ৰশাসন, অগ্নি আৰু জৰুৰীকালীন সেৱা বাহিনী, এছ্‌ ডি আৰ এফ, আৰক্ষী তথা স্থানীয় ৰাইজে উদ্ধাৰ অভিযানত সহায় কৰিছে। প্ৰশাসনে বানপীড়িত লোকসকলক যাৱতীয় সাহায্য সামগ্ৰীৰ লগতে পশু খাদ্য যোগানৰ ব্যৱস্থা কৰিছে। কৰ্তৃপক্ষসমূহে পৰিস্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে আৰু বেয়াকৈ ক্ষতিগ্ৰস্ত জিলাসমূহত উদ্ধাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চৰাইদেউ জিলাৰ ১০০ শতাংশ স্থানত সাহায্য সামগ্ৰী প্ৰদান কৰা হৈছে যদিও নাজিৰা সমষ্টিৰ ৩০ শতাংশ আৰু শিৱসাগৰৰ ২০ শতাংশ লোকৰ সৈতে এতিয়াও প্ৰশাসনে সম্পৰ্ক স্থাপন কৰিব পৰা নাই বুলি প্ৰকাশ কৰিছে। দিছপুৰৰ লোকসেৱা ভৱনত কালি এখন সংবাদমেলত মুখ্যমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে।

সংবাদমেলত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে বানত চৰাইদেউ জিলাৰ ৩টা ৰাজহ চক্ৰৰ ১৫২ খন গাঁৱৰ ১ লাখ ৩৩ হাজাৰ ১৫৯ জন লোক ক্ষতিগ্ৰস্ত হৈছে। জিলাখনত বানত ১০ জন লোকৰ মৃত্যু হোৱাৰ বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। একেদৰে শিৱসাগৰ জিলাৰ ৫টা ৰাজহ চক্ৰৰ ৩৩৩ খন গাঁৱৰ ৫ লাখ ৩০ হাজাৰ লোক বানত প্ৰভাৱিত হৈছে। জিলাখনত বানত মৃত্যু হোৱা লোকৰ সংখ্যা হৈছে ২১।

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে মন্ত্ৰী বিমল বৰা আৰু সুশান্ত বৰগোহাঁইয়ে জিলাকেইখনৰ বান পৰিস্থিতি নিৰীক্ষণ কৰি আছে। শিৱসাগৰ আৰু চৰাইদেউ জিলাত পৰ্যাপ্ত খাদ্য সামগ্ৰী যোগান ধৰাৰ বাবে তিনিচুকীয়া, ডিব্ৰুগড় আৰু কামৰূপ মহানগৰ জিলাৰ পৰা সাহায্য সামগ্ৰী প্ৰেৰণ কৰা হৈছে বুলি ড° শৰ্মাই জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে উদ্ধাৰ অভিযানৰ বাবে এন ডি আৰ এফ আৰু এছ্‌ ডি আৰ এফৰ নাও ব্যৱহাৰ কৰাৰ উপৰি খাদ্য সামগ্ৰী যোগান ধৰাৰ বাবে মাজুলী, ধেমাজি আৰু লখিমপুৰৰ পৰা টুলুঙা নাও আৰু পাল নাও সংগ্ৰহ কৰা হৈছে।

পানী লাহে লাহে হ্ৰাস পাবলৈ ধৰাৰ ফলত বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহত যাতে কোনো মহামাৰী নহয় তাৰবাবে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ তৰফৰ পৰা ভ্ৰাম্যমান চিকিৎসা সেৱাৰ ব্যৱস্থাৰ উপৰি ডিব্ৰুগড় আৰু যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসকৰ দল নিয়োজিত কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে বানৰ ক্ষয়-ক্ষতিৰ বুজ ল'বলৈ কেন্দ্ৰীয় চৰকাৰৰ এটা আন্তঃ মন্ত্ৰালয় পৰ্যায়ৰ প্ৰতিনিধিৰ দল আজি অসমলৈ আহিব। দলটোৱে ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি ক্ষয়-ক্ষতিৰ মূল্যায়ন কৰিব।

ড° শৰ্মাই নিজৰ সামৰ্থ্য অনুযায়ী মুখ্যমন্ত্ৰী সাহায্য পুঁজিলৈ অনুদান আগবঢ়াবলৈ আহ্বান জনাইছে। বান প্ৰভাৱিতসকলক সহায় কৰিবলৈ ইচ্ছুক ব্যক্তিসকলৰ সুবিধাৰ্থে কালি সামাজিক মাধ্যম ফে'চবুকত মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ বেংক একাউণ্ট নম্বৰ আৰু কিউ আৰ ক'ড ৰাজহুৱা কৰি কয়, যে যিসকলে ৰাজ্য চৰকাৰৰ জৰিয়তে দুৰ্গতজনলৈ সহায়ৰ হাত আগবঢ়াব বিচাৰে তেওঁলোকে সাহায্য পুঁজিলৈ নিজৰ সামৰ্থ্য অনুযায়ী অনুদান আগবঢ়াব পাৰে। তেওঁ লগতে কয়, যে এই সংকটৰ সময়ত বান প্ৰভাৱিতসকলৰ বাবে চৰকাৰী, ব্যক্তিগত নাইবা সামুহিক সহায় অতিকৈ প্ৰয়োজনীয়।

সমমৰ্মিতা, সহযোগিতা আৰু ঐক্যৰ শক্তিৰে এই দুৰ্যোগ অতিক্ৰম কৰিব পৰা যাব বুলি তেওঁ আশা প্ৰকাশ কৰে।

বাইট (চি এম)

০০০০০০

কেন্দ্ৰীয় চৰকাৰ অসমৰ বান প্ৰভাৱিত লোকসকলৰ কাষত থিয় দিবলৈ প্ৰতিশ্ৰুতিবদ্ধ বুলি কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে। ৰাজ্যৰ বান পৰিস্থিতি সন্দৰ্ভত নতুন দিল্লীত কালি এখন সংবাদমেলত এই কথা প্ৰকাশ কৰি শ্ৰী সোণোৱালে কয়, যে কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকত ইতিমধ্যে অসমৰ বান পৰিস্থিতি সম্পৰ্কে সুকীয়াকৈ আৰু বিস্তৃতভাৱে আলোচনা কৰা হৈছে। তেওঁ ক্ষতিগ্ৰস্ত লোকসকলক সকলো

প্ৰকাৰৰ সহায়-সাহায্য আগবঢ়াবলৈ কেন্দ্ৰীয় চৰকাৰ বদ্ধপৰিকৰ বুলিও উল্লেখ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে শেহতীয়া বানত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

বাইট

ৰাজ্য চৰকাৰৰ পৰা পোৱা তথ্যৰ ওপৰত ভিত্তি কৰি কেন্দ্ৰীয় চৰকাৰৰ কেবিনেট বৈঠকত অসমৰ বান পৰিস্থিতি সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয় বুলি তেওঁ সংবাদমেলত জানিবলৈ দিয়ে। অতি সোনকালে কেন্দ্ৰীয় চৰকাৰৰ এটা প্ৰতিনিধি দল অসমৰ বান পৰিস্থিতি বুজ লোৱাৰ উদ্দেশ্যে অসমলৈ আহিব বুলি তেওঁ উল্লেখ কৰে। বানত ক্ষতিগ্ৰস্ত লোকসকলৰ পুনৰ সংস্থাপনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰক কেন্দ্ৰই সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াব বুলি তেওঁ মন্তব্য কৰে।

০০০০০০

ৰাজ্যত ২০১৪ চনৰ পৰা যোৱা ১৬ জুলাইলৈ ১৩ বছৰত বান, ধুমুহা আৰু বজ্ৰপাতত মুঠ এহেজাৰ ৫৬৭ জন লোকে প্ৰাণ হেৰুৱাইছে। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই কালি বিধানসভাত এই কথা সদৰি কৰে। তেওঁ কয়, যে দুৰ্যোগৰ সময়ত কোনো লোকৰ মৃত্যু হ'লে বিভাগৰ পৰা মৃতকৰ পৰিয়াললৈ চাৰি লাখ টকাকৈ আৰ্থিক সাহায্য আগবঢ়োৱাৰ ব্যৱস্থা আছে। চলিত বৰ্ষত এই আৰ্থিক সাহায্যৰ পৰিমাণ ৫ লাখলৈ বৃদ্ধি কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। ৰাজ্যৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে প্ৰাকৃতিক দুৰ্যোগৰ জৰুৰীকালীন সময়ত ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজি আৰু ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা পুঁজিৰ ধন আৱণ্টন সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয়, যে ২০২১-২২ বিত্তীয় বৰ্ষৰ পৰা ২০২৫-২৬ বিত্তীয় বৰ্ষলৈ ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজিৰ অধীনত অসমলৈ ৩ হাজাৰ ৭৯৩ কোটি ৬০ লাখ টকা আবণ্টন কৰা হৈছে। ইয়াৰে ২০২৫-২৬ বিত্তীয় বৰ্ষলৈ মুঠ ৩ হাজাৰ ৪৭৭ কোটি ২৩ লাখ টকা ব্যয় কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ২০২৬-২৭ বিত্তীয় বৰ্ষৰ আৰম্ভণিতে ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজিৰ অধীনত চৰকাৰৰ হাতত প্ৰায় এহেজাৰ ৬০০ কোটি টকা জমা আছে বুলি মন্ত্ৰীগৰাকীয়ে সদনক অৱগত কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰশ্নকাকত ফাদিলৰ ঘটনা ৰোধ কৰাৰ বাবে কঠোৰ আইন প্ৰণয়ন সম্পৰ্কীয় ভিডিঅ' বাৰ্তা সন্দৰ্ভত লাভ কৰা দিহা-পৰামৰ্শৰ বাবে জনসাধাৰণক ধন্যবাদ জনাইছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে প্ৰশ্নকাকত দৰে ঘটনা ৰোধ কৰাৰ লগতে দোষীসকলক কঠোৰ শাস্তি বিহাৰ উদ্দেশ্যে অহা সপ্তাহত সংসদত এখন নতুন বিধেয়ক উত্থাপন কৰা হ'ব। খচৰা বিধেয়কখনত মন্ত্ৰীসভাই কালি অনুমোদন জনোৱা বুলি তেওঁ উল্লেখ কৰে। শ্ৰী মোদীয়ে কয়, যে জনসাধাৰণৰ সৈতে তেওঁৰ সম্পৰ্ক বিশ্বাস তথা সহযোগ আধাৰিত আৰু এই সম্পৰ্ক আগলৈও অব্যাহত থাকিব।

০০০০০০

ৰাজ্যৰ গ্ৰামাঞ্চলত চিকিৎসা সেৱা অধিক শক্তিশালী কৰিবলৈ প্ৰতিটো স্বাস্থ্য উপ-কেন্দ্ৰত এগৰাকীকৈ এম বি বি এছ চিকিৎসক নিয়োগ কৰাৰ কথা ঘোষণা কৰা হৈছে বুলি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহলে কালি বিধানসভাত প্ৰকাশ কৰে। বিধায়ক বদৰুদ্দিন আজমলে সোধা এটা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয়, যে গ্ৰামাঞ্চলৰ স্বাস্থ্যকেন্দ্ৰসমূহত প্ৰয়োজনীয় চিকিৎসা কৰাব পৰাকৈ সকলোধৰণৰ ঔষধ প্ৰদান কৰা হয়, যাতে ৰোগীয়ে কোনো প্ৰাথমিক চিকিৎসাৰ পৰা বঞ্চিত নহয়।

০০০০০০

নলবাৰীত কালিৰেপৰা ৪৭ সংখ্যক অসম আন্তঃজিলা এথলেটিক প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই অগ্নিশিখা প্ৰজ্বলন কৰি এই প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত অসম এথলেটিক সংস্থাৰ সভাপতি তথা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আদৰণি ভাষণ দিয়ে। অসম এথলেটিক সংস্থাৰ উদ্যোগত আৰু নলবাৰী জিলা

ক্ৰীড়া সন্থাৰ সহযোগত কাইলৈকে চলিবলগা এই প্ৰতিযোগিতাত বিভিন্ন জিলাৰ ১৪ৰো অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে। মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এই প্ৰতিযোগিতা সন্দৰ্ভত সাংবাদিকৰ আগত এইদৰে কয় –

বাইট

০০০০০০

ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ তিনিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি হাৰাৰেত অনুষ্ঠিত হ'ব। ভাৰত সম্প্ৰতি শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে। ভাৰতে পৰহি একেটা স্থানত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত ঘৰুৱা দল জিম্বাব'ৱেক ৭ উইকেটত পৰাস্ত কৰে। ভাৰতে বৈভৱ সূৰ্যবংশীৰ আকৰ্ষণীয় অৰ্ধশতকৰ সহায়ত ১৩ অভাৰ আৰু দুটা বলত অনায়াসে ১২৬ ৰাণৰ বিজয় লক্ষ্যত উপনীত হয়। ইয়াৰ পূৰ্বে জিম্বাব'ৱেই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত সাতটা উইকেট হেৰুৱাই ১২৫ ৰাণ সংগ্ৰহ কৰে। কাইলৈ শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল অনুষ্ঠিত হ'ব।

০০০০০০

News Paper REV/RNU

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে ৰাজ্যৰ বান পৰিস্থিতিৰ বিভিন্ন বাতৰি ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে।

**অসমীয়া খবৰ** কাকতে শিৱসাগৰ, নাজিৰাত ৮০ হাজাৰ বন্যাৰ্তৰ কাষলৈ এতিয়াও যাব পৰা নাই চৰকাৰ-প্ৰশাসন শীৰ্ষক এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**অসমীয়া প্ৰতিদিন** কাকতে শিৱসাগৰ, চৰাইদেউ, যোৰহাটত জল প্ৰলয়ৰ মাজতে দুঃসংবাদ ঃ নাগালেণ্ডৰ নিৰ্মীয়মান দিখু জলবিদ্যুৎ প্ৰকল্পই ধ্বংস কৰিব উজনি শীৰ্ষক এটা বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে।

দি আছাম ট্ৰিবিউন কাকতে ৰাজ্যৰ বান পৰিস্থিতি কিছু উন্নত হোৱাৰ বাতৰি এটা প্ৰথম পৃষ্ঠাত সবিস্তাৰে প্ৰকাশ কৰিছে।

শিৱসাগৰ, চৰাইদেউত শতাধিক লোক সন্ধানহীন, বান পৰিস্থিতি উদ্বিগ্ন মুখ্যমন্ত্ৰী ঃ নীপকোৱে প্ৰতি ছেকেণ্ডত এৰিছে দুই লাখ ১১ হাজাৰ লিটাৰ পানী শীৰ্ষক এটা বাতৰি **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

চলিত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ আৰম্ভণিতে চৰকাৰৰ হাতত ৰাজ্যিক দুৰ্যোগ সাহায্য পুঁজি শিতানত প্ৰায় এহেজাৰ ৬০০ কোটি টকা জমা আছে যদিও শেহতীয়া বানত ক্ষতিগ্ৰস্ত হোৱা অধিকাংশ লোকক প্ৰশাসনে সাহায্য প্ৰদানত ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপন হোৱাৰ বাতৰি এটা **দৈনিক অসম** কাকতে তথ্য সহকাৰে প্ৰকাশ কৰিছে।

**দৈনিক অগ্ৰদূত** কাকতে বানৰ লগতে সোনম ৱাংচুকৰ ২৬ দিনীয়া অনশন ভংগৰ বাতৰিটো **অপৰাসৰণ নকৰে শিক্ষামন্ত্ৰী প্ৰধানক** শিৰোনামেৰে প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দৈনিক জনমভূমি** কাকতে চৰকাৰে দিলে নিষিদ্ধ প্ৰতিশ্ৰুতি- সোনম ৱাংচুকৰ ২৭ দিনীয়া অনশনৰ সামৰণি শিৰোনামেৰে প্ৰকাশ কৰিছে। কাকতখনে দুৰ্যোগৰ মাজতে আজি বান পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে আহিব কেন্দ্ৰৰ দল শিৰোনামেৰে আন এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**নিয়মীয়া বাৰ্তা** কাকতে প্ৰধানমন্ত্ৰী মাজনিশাৰ বাৰ্তাৰ পিছতে কঠোৰ পদক্ষেপ কেন্দ্ৰৰ ঃ প্ৰশ্নকাকত ফাদিল কৰিলেই ১০ বছৰ জে'ল শীৰ্ষক এটা বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিকো **দ্য ছেণ্টিনেল** কাকতখনেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আহক এতিয়া বাতৰিৰ মাজলৈ উভতি যাও।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী ঢেৰেকণিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

তদুপৰি ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা তিনি দিনত ৰাজ্যত ধাৰাষাৰ বৰষুণৰ আগজাননী প্ৰকাশ কৰিছে। ৰাজ্যখনৰ কেইবাখনো জিলাত ৰেড, অ'ৰেঞ্জ আৰু য়েল্ল' এলাৰ্ট জাৰি কৰাৰ লগতে প্ৰতিকূল বতৰৰ সৈতে সহাৱস্থান কৰাৰ বাবে ৰাজ্যবাসীক সজাগ হৈ থাকবিলৈও বিভাগে আহ্বান জনাইছে।

oooooo

**সমাপ্ত**